জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩০৪/২০২১

# বিশিষ্ট উদ্যোগপতি প্ৰয়াত মহাদেউ জালান আৰু প্ৰসিদ্ধ অধিবক্তা প্ৰয়াত প্ৰেমধৰ বৰগোহাঁইৰ বাসগৃহলৈ গৈ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশিষ্ট উদ্যোগপতি, সমাজকৰ্মী তথা চাহ খেতিয়ক প্ৰয়াত মহাদেউ জালানৰ ডিব্ৰুগড়স্থিত বাসভৱনলৈ গৈ তেখেতৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ৰাজ্যখনৰ চাহ উদ্যোগটিৰ লগতে চাহ জনগোষ্ঠীৰ কল্যাণৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰা মহাদেউ জালানে ডিব্ৰুগড়ৰ জগন্নাথ মন্দিৰ, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, ষ্টেডিয়াম, মুৰলীধৰ জালান বাছ আস্থান তথা বিভিন্ন নামঘৰ আদিৰ বাবে ভূমি দান কৰি মানৱসেৱাৰ উল্লেখনীয় নিদৰ্শন দাঙি ধৰি গৈছে। চৰকাৰ, চাহ বাগিচাৰ শ্ৰমিক আৰু চাহ বাগিচাৰ পৰিচালন গোষ্ঠীৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰতো তেওঁ প্ৰভূত অৰিহণা যোগাইছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ অৰ্থনীতি তথা সামাজিক ক্ষেত্ৰখনলৈ প্ৰয়াত জালানে আগবঢ়াই যোৱা এই অৱদানৰাজি সদায়ে স্মৰণীয় হৈ থাকিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি প্ৰসিদ্ধ অধিবক্তা, শিক্ষাবিদ, সমাজকৰ্মী প্ৰয়াত প্ৰেমধৰ বৰগোহাঁইৰ ডিব্ৰুগড় চিৰিংচাপৰিস্থিত বাসভৱনলৈ গৈ কিছু সময় অতিবাহিত কৰাৰ লগতে তেখেতৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। আইনৰ ক্ষেত্ৰখনৰ সৈতে প্ৰায় পাঁচ দশক ধৰি জড়িত হৈ থকা প্ৰয়াত বৰগোহাঁইয়ে চাহ বাগিচাৰ শ্ৰমিক, খেতিয়ক, ভূমিহীন শ্ৰমিকৰ আইনী অধিকাৰৰ হকে সমগ্ৰ জীৱন উৎসৰ্গা কৰিছিল। ডিব্ৰুগড় বাৰ এছ'চিয়েশ্যনৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰা বৰগোহাঁইৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক বৃহৎ ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ডিব্ৰুগড়ৰ শ্ৰীক্ষেত্ৰস্থিত শ্ৰীশ্ৰী জগন্নাথ মন্দিৰো দৰ্শন কৰি ৰাজ্যবাসীৰ কুশল-মঙ্গল কামনা কৰি সেৱা আগবঢ়ায়। মুখ্যমন্ত্ৰীৰ এই মন্দিৰ দৰ্শনকালত মন্ত্ৰী বিমল বৰা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ আৰু কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**০১-১০-২০২১**